# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 19-03-2025
**Time :** 1715 HRS

## ***Assamese Evening Bulletin***

***- - - - - - - - - - - - - -***

ৰাজ্যত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত ঘৰ বিতৰণৰ ক্ষেত্ৰত পূৰ্বতে উত্থাপিত দুৰ্নীতিৰ অভিযোগ নোহোৱা কৰি বৰ্তমান চৰকাৰে নোপোৱা মানুহখিনিৰো ঘৰৰ তালিকা সুন্দৰ ব্যৱস্থাৰে প্ৰস্তুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। কামৰূপ জিলাৰ পলাশবাৰীৰ ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত ৩ লাখ ৮৮ হাজাৰ ৩৫৮ গৰাকী হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ কেন্দ্ৰীয়ভাৱে প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে এনে ব্যৱস্থাৰ অংশ হিচাপে ঘৰ নোপোৱা লোকৰ জৰীপ চলোৱাৰ বাবে কোনো ব্যক্তিৰ ঘৰলৈ জীৱিকা সখী নগ'লে বা প্ৰ-পত্ৰ পূৰণ নকৰিলে গাঁৱৰ সংঘৰ যিকোনো লোকে ফটো তুলি আপলোড কৰিব পাৰিব। এতিয়াৰেপৰা ঘৰ লগা ব্যক্তিসকলে নিজেই জিঅ' টেগিং কৰিব পাৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ৰাজ্য চৰকাৰে জনসাধাৰণৰ বাসগৃহৰ আৱশ্যকতা পূৰণত আৰু প্ৰধানমন্ত্ৰী আবাস যোজনাৰ জৰিয়তে সঠিক গৃহ নিৰ্মাণৰ সুবিধা সুনিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰি আহিছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসো উপস্থিত থাকে।

বিধানসভা সমষ্টি অনুসৰি গৃহ অনুমোদন পত্ৰ প্ৰদানৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ মন্ত্ৰী আৰু বিধায়কসকলে বিভিন্ন স্থানত এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। **তামুলপুৰ** জিলাৰ বৰনগৰত থকা তামুলপুৰ মহাবিদ্যালয় প্ৰেক্ষাগৃহত জিলা আয়ুক্তৰ উপস্থিতিত এহেজাৰ ১৯৬ গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত গৃহ অনুমোদন পত্ৰ প্ৰদান কৰা হয়। **মৰিগাঁও** জিলাত ১৩ হাজাৰ ৮০ গৰাকী হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ প্ৰদান কৰা হৈছে। জিলাখনৰ প্ৰতিটো সমষ্টিতে আজি আনুষ্ঠানিকভাৱে ১০ গৰাকীকৈ হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ প্ৰদান কৰা হয়। **জাগীৰোড** সম জিলাৰ জাগীভকত গাঁৱৰ বিষ্ণুৰাভা বিহুতলী মঞ্চত আয়োজিত ৰাজহুৱা সভাত মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত থাকি সমষ্টিটোৰ দুহেজাৰ ৭৫৩ গৰাকী হিতাধিকাৰীক আৱণ্টন পত্ৰ আৰু মুখ্যমন্ত্ৰীৰ শুভেচ্ছা পত্ৰ প্ৰদান কৰে। **মঙলদৈৰ** গান্ধী ময়দানত আয়োজিত অনুষ্ঠানত বিধায়ক বসন্ত দাস আৰু জিলা আয়ুক্তৰ উপস্থিতিত দৰং জিলাৰ মঙলদৈ বিধানসভা সমষ্টিৰ ৩ হাজাৰ ১২৭ গৰাকী হিতাধিকাৰীৰ মাজত গৃহ অনুমোদন পত্ৰ বিতৰণ কৰা হয়। **কোকৰাঝাৰ** খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত বড়ো স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থাকি কোকৰাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত এহেজাৰ ১৪৬ গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ অনুমোদন পত্ৰ প্ৰদান কৰে। **চিৰাং** জিলাত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত ৫ হাজাৰ ৯১১ গৰাকী হিতাধিকাৰীলৈ প্ৰথম কিস্তিৰ ধন বিতৰণৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হৈছে। জিলা সদৰ কাজলগাঁৱৰ পেৰেড গ্ৰাউণ্ডত আয়োজিত অনুষ্ঠানত চিদলীৰ বিধায়ক নিৰ্মল কুমাৰ ব্ৰহ্ম আৰু বিজনী ছোৱালী হাইস্কুল খেলপথাৰত আয়োজিত অনুষ্ঠানত বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায় মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

**ৰজালী** জিলা প্ৰশাসনৰ অধীনত মুঠ ৪ হাজাৰ ৮২১ গৰাকী হিতাধিকাৰীৰ মাজত আজি প্ৰধানমন্ত্ৰী আবাস যোজনাৰ গৃহ আবণ্টন পত্ৰ বিতৰণ কৰা হয়। **শোণিতপুৰ** জিলাৰ ৫টা বিধানসভা সমষ্টিৰ মুঠ ১৫ হাজাৰ ১৩৭ গৰাকী হিতাধিকাৰীক প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অনুমোদিত পত্ৰ বিতৰণ কৰা হয়। জিলাখনৰ পাঁচোটা সমষ্টিতে আনুষ্ঠানিকভাৱে ১০ গৰাকীকৈ হিতাধিকাৰীক গৃহ অনুমোদন পত্ৰ দিয়া হয়। অৱশ্যে আদৰ্শ নিৰ্বাচনী আচৰণবিধি বলৱৎ হৈ থকাৰ বাবে বকো-ছয়গাঁও সমষ্টিত এই কাৰ্যসূচী অনুষ্ঠিত নহয়।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই নামৰূপত ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ বৰ্তমানৰ চৌহদত বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিক টন উৎপাদনক্ষম এম’নিয়া ইউৰিয়া প্ৰকল্প স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনাইছে। আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধক্ষ্যতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই প্ৰস্তাৱত অনুমোদন দিয়া হয়। এই প্ৰকল্পত ৰাজ্য চৰকাৰৰ ৪০ শতাংশ, ব্ৰহ্মপুত্ৰ উপত্যকা সাৰ নিগম লিমিটেডৰ ১১ শতাংশ, হিন্দুস্তান উৰ্বৰক এণ্ড ৰাসায়ন লিমিটেডৰ ১৩ শতাংশ, ৰাষ্ট্ৰীয় সাৰ লিমিটেডৰ ১৮ শতাংশ আৰু অইল ইণ্ডিয়া লিমিটেডৰ ১৮ শতাংশ অংশীদাৰিত্ব থাকিব। আনুমানিক ১০ হাজাৰ ৬০১ কোটি ৪০ লাখ টকা ব্যয়ৰে ৰূপায়ণ কৰিবলগীয়া এই প্ৰকল্পই উত্তৰ-পূৰ্বাঞ্চলত ইউৰিয়াৰ ঘৰুৱা উৎপাদন ক্ষমতা বৃদ্ধি কৰিব। এই প্ৰকল্পই উত্তৰ-পূৰ্বাঞ্চলৰ লগতে বিহাৰ, পশ্চিমবংগ, উত্তৰপ্ৰদেশৰ পূব অংশ আৰু ঝাৰখণ্ডৰ ইউৰিয়াৰ বৰ্ধিত চাহিদা পূৰণত সহায় কৰিব। এই প্ৰকল্প ৰূপায়ণৰ ফলত উত্তৰ-পূৰ্বাঞ্চলত কৰ্মসংস্থাপনৰ প্ৰত্যক্ষ আৰু পৰোক্ষ সুযোগ সৃষ্টি হ’ব আৰু ইউৰিয়াৰ ক্ষেত্ৰত দেশৰ আত্মনিৰ্ভৰশীলতাৰ লক্ষ্য পূৰণত সহায় কৰিব।

০০০০০

প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন আৰু উচ্চ প্ৰাথমিকৰ ৫ হাজাৰ ৫৫০টা শিক্ষক পদৰ বাবে কাইলৈৰ পৰা ১১ এপ্ৰিললৈ নথি পৰীক্ষাৰ দিন ঘোষণা কৰিছে। সঞ্চালকালয়ে জাৰি কৰা জাননী অনুসৰি খানাপাৰাস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় অতিথিশালাত কাইলৈৰ পৰা ২৯ মাৰ্চলৈ প্ৰথম পৰ্যায় আৰু পহিলা এপ্ৰিলৰ পৰা ১১ এপ্ৰিললৈ দ্বিতীয় পৰ্যায়ৰ নথি পৰীক্ষা কৰা হ’ব। নথি পৰীক্ষাৰ বাবে যোগ্য বিবেচিত ৪ হাজাৰ ২০০ গৰাকী প্ৰাৰ্থীৰ নাম প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবছাইট www.dee.assam.gov.inত আপলোড কৰা হৈছে। নথি পৰীক্ষাৰ সময়ত প্ৰাৰ্থীসকলে স্ব-প্ৰত্যায়িত নথিৰ লগতে মূল নথি পত্ৰ আৰু আবেদনৰ কপি দেখুওৱাব লাগিব। উল্লেখযোগ্য প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে ২০২৩ বৰ্ষৰ ডিচেম্বৰত নিম্ন আৰু উচ্চ প্ৰাথমিকৰ এই ৫ হাজাৰ ৫৫০টা শিক্ষক পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল।

০০০০০

অহা ২ এপ্ৰিলত হ’বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনা পৰিষদৰ অন্তৰ্গত অঞ্চলসমূহত সকলো চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান বন্ধ থাকিব। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ আয়ুক্ত সচিবে এখন জাননীযোগে এই নিৰ্দেশনা জাৰি কৰিছে। বেচৰকাৰী কাৰ্যালয়, ব্যৱসায়িক প্ৰতিষ্ঠান, বেংক, চাহ বাগিচা আদিও সেইদিনা বন্ধৰ নিৰ্দেশনা জাৰি কৰা হৈছে।

০০০০০

সমাপ্ত